समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ১

মুদ্ৰা আৰু বেংক ব্যৱস্থা

অংশ – ৩

ৰিণা ফুকন

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মুদ্ৰাৰ শ্ৰেণীবিভাজন

- মুদ্ৰা দুই প্ৰকাৰৰ —
  - হিচাপ-নিকাচৰ মুদ্ৰা (Nominal Money)
  - প্ৰকৃত মুদ্ৰা (Real Money)


হিচাপ-নিকাচৰ মুদ্রা

- মূল্যক প্রতিনিধিত্ব কৰা বিমূর্ত ধাৰণা।
- হিচাপ-নিকাচৰ মুদ্রা এটা ধাৰণাহে; প্রকৃত মুদ্রাও হিচাপ-নিকাচৰ মুদ্রা।
- হিচাপ-নিকাচৰ মুদ্রাৰ ধাৰণাটোৰ পৰিৱর্তন নহয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰকৃত মুদ্ৰা



- প্ৰকৃত মুদ্ৰাৰ ৰূপান্তৰ বা পৰিবৰ্তন হয়।
- আজি যি প্ৰকৃত মুদ্ৰা ভবিষ্যতেও সি প্ৰকৃত মুদ্ৰা হৈ নাথাকে।
- প্ৰকৃত মুদ্ৰা যিয়েই নহওক কিয় সেই মুদ্ৰা হিচাপ-নিকাচৰ মুদ্ৰা হৈয়ে থাকিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ সংবিধানত প্ৰধানমন্ত্ৰীৰ পদবীটো আছে। কিন্তু সদায় একেজন ব্যক্তিয়েই প্ৰধানমন্ত্ৰী হৈ নাথাকে।
- কিন্তু প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত ব্যক্তিগৰাকীয়ে সদায় প্ৰধানমন্ত্ৰীৰ ভূমিকা পালন কৰিব লাগিব আৰু সেই মৰ্মে নিৰ্ধাৰিত কাৰ্য সম্পাদন কৰিব লাগিব। প্ৰধানমন্ত্ৰীৰ পদবীটো যদি হিচাপ-নিকাচৰ মুদ্ৰা হয় তেনেহ'লে প্ৰধানমন্ত্ৰীগৰাকী হ'ব প্ৰকৃত মুদ্ৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰকৃত মুদ্ৰা কেইবাপ্ৰকাৰৰ হ'ব পাৰে। সেইবোৰ হ'ল—

(১) সামগ্ৰী মুদ্ৰা (Commodity Money)

(২) জন্তু মুদ্ৰা (Animal Standard Money)

(৩) ধাতুগত মুদ্ৰা (Metallic Money)

(৪) কাগজী মুদ্ৰা (Paper Money)

(৫) বিহিত মুদ্ৰা (Legal Tender Money)

(৬) অবিহিত মুদ্ৰা
(Non Legal Tender Money)

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(৭) আদেশী মুদ্রা (Fiat Money)

(৮) প্রতীক মুদ্রা (Token Money)

(৯) চেক মুদ্রা (Cheque Money)

(১০) মান মুদ্রা (Standard Money)

(১১) তপত মুদ্রা (Hot Money)

(১২) সংকুচিত মুদ্রা (Dear Money)

(১৩) সুলভ মুদ্রা (Easy Money)

(১৪) ক'লা মুদ্রা (Black Money)

(১৫) উচ্চ ক্ষমতাসম্পন্ন মুদ্রা
(High Power Money)

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১। সামগ্রী মুদ্রা —


- বিনিময় ব্যৱস্থাত পণ্য আছিল বিনিময়ৰ মাধ্যম।
- ই হিচাপৰ মুদ্রা আৰু প্রকৃত মুদ্রা দুয়োটা আছিল।
- হিচাপ মুদ্রাৰ ৰূপত ৰখা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। জন্তু মুদ্রা —

- জীৱ-জন্তুক মুদ্রা হিচাপে ব্যৱহাৰ কৰা হৈছিল, বিশেষকৈ ছাগলী।
- ছাগলী আছিল বিনিময়ৰ মাধ্যম।
- জন্তুক মুদ্রা হিচাপে সামগ্ৰীৰ লেনদেনত ব্যৱহাৰ কৰা হৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ধাতুগত মুদ্রা —

- সময়ৰ লগে লগে সোণ আৰু ৰূপক বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিলে।
- সোণ আৰু ৰূপ এই দুইবিধ ধাতু একেলগে বিনিময়ৰ মাধ্যম হিচাপে ধাতুগত মুদ্রাত প্রচলন কৰা হৈছিল ।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। কাগজী মুদ্রা —

- কঢ়িয়াই নিয়াত সহজ হোৱাৰ বাবে ধাতুৰ মুদ্রাৰ ঠাইত কাগজৰ মুদ্রা লোৱা হৈছে।
- আগতে কাগজৰ মুদ্রা ৰূপান্তৰযোগ্য বা প্রতিনিধিত্বমূলক কাগজৰ মুদ্রা আছিল কাৰণ ই সমমূল্যৰ সোণ বা ৰূপলৈ ৰূপান্তৰিত হৈছিল।

- এতিয়া কাগজী মুদ্রা বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয় আৰু কাগজৰ মুদ্রাৰ ৰূপতো বেংকৰ আমানত সঞ্চয় কৰা হয়।
- এইদৰে ই হিচাপৰ মুদ্রা আৰু প্ৰকৃত মুদ্রা দুয়োটা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। বিহিত মুদ্রা —

- যি মুদ্রাৰ গ্ৰহণযোগ্যতা বিধিসম্মত সেই মুদ্রাই বিহিত মুদ্রা।
- এনে মুদ্রা গ্ৰহণ কৰিবলৈ আপত্তি দৰ্শোৱাজন আইনমতে দণ্ডনীয় হ'ব।
- ভাৰতবৰ্ষত বৰ্তমান প্ৰচলিত কাগজী মুদ্রা আৰু ধাতুমুদ্রা বিহিত মুদ্রা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বিহিত মুদ্রা দুই প্রকাৰৰ-
  - সসীম বিহিত মুদ্রা
  - অসীম বিহিত মুদ্রা
- যি বিহিত মুদ্রাৰ সহায়ত সীমিত মূল্যৰ লেনদেনহে সম্পন্ন কৰিব পাৰি সেই মুদ্রা সসীম বিহিত মুদ্রা হ'ব।
- আনহাতে অসীম বিহিত মুদ্রাই অধিক মুদ্রাৰ মূল্যক বুজায় যাক অসীমভাৱে লেনদেন কৰিব পাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। অবিহিত মুদ্রা —

- যেতিয়া বিনিময়ৰ মাধ্যম হিচাপে মুদ্রাৰ সাধাৰণ গ্ৰহণযোগ্যতাৰ কোনো আইনী সমর্থন নাথাকে তেতিয়া ই অবিহিত মুদ্রা হৈ পৰে।
- এনে মুদ্রাৰ গ্ৰহণযোগ্যতা আইন সংগত নহয় । (যেনে — চেক মুদ্রা)।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। আদেশী মুদ্রা —

- চৰকাৰী আদেশৰ ভিত্তিত যি মুদ্রা বিনিময়ৰ মাধ্যম হিচাপে গ্ৰহণ কৰা হয় সেই মুদ্রাই হ'ব আদেশী মুদ্রা।
- কাগজী বা ধাতু মুদ্রা আদেশী মুদ্রাৰে উদাহৰণ।
- চৰকাৰী কর্তৃত্বৰ দ্বাৰা এই মুদ্রা সমর্থিত।



৮। প্রতীক মুদ্রা —

- যি মুদ্রাৰ প্রদর্শিত মূল্য বা খোদিত মূল্য বা লিখিত মূল্য ইয়াৰ অন্তর্নিহিত মূল্য বা ধাতুগত মূল্যতকৈ অধিক সেই মুদ্রাই হ'ব প্রতীক মুদ্রা।
- বর্তমান আমি দেখা প্রায় সকলোবোৰ ধাতু মুদ্রা প্রতীক মুদ্রা।

- আজি আমি যিবোৰ মুদ্রা ব্যৱহাৰ কৰি আছো সেইবোৰ সকলো প্ৰতীক মুদ্ৰাৰ উদাহৰণ।





প্ৰতীক মুদ্ৰা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation



৯। চেক মুদ্রা —

- চেক আইনী ভাৱে বিহিত মুদ্রা নহয়। কাৰণ এজন ব্যক্তিয়ে চেকত মুদ্রা পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে।
- বেংকৰ আমানত (Account) ত এখন চেক নগদ মুদ্রালৈ ৰূপান্তৰ কৰিব পাৰি।

- যদিও চেক মুদ্রা নহয় তথাপিও চেকক কেৱল উন্নত দেশতে নহয়, উন্নয়নশীল দেশসমূহতো মুদ্রা পৰিশোধৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। মান মুদ্রা —

- মানক মুদ্রা হৈছে মুদ্রাৰ একক।
- অন্যান্য একক মুদ্রাৰ মূল্য ইয়াৰ সৈতে জড়িত।
- ভাৰতত মান মুদ্রা হল টকা (Rupee) । এক পইচা হৈছে টকাৰ ১০০ পইচাৰ এক শতাংশ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। তপত মুদ্রা —

- গভীৰ অৰ্থনৈতিক সংকটৰ গৰাহত পৰা দেশ এখনৰ মুদ্রাৰ মূল্যলৈ যেতিয়া জল্পনা-কল্পনাৰ অন্ত নাথাকে তেতিয়া দেশখনৰপৰা মূলধনৰ বৰ্হিগমন হয়।
- মূলধনৰ বৰ্হিগমনে তপত মুদ্রাৰ সৃষ্টি কৰে

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। সংকুচিত মুদ্রা —

- সংকুচিত মুদ্রাৰ সৃষ্টি হয় কেন্দ্রীয় বেংকৰ কার্য্যৰ দ্বাৰা।
- যেতিয়া উদাহৰণস্বৰূপে ভাৰতৰ কেন্দ্রীয় বেংক, ভাৰতীয় ৰিজার্ভ বেংকে নিজৰ সুতৰ হাৰ বৃদ্ধি কৰি সদস্য বেংকসমূহৰ সুতৰ হাৰ বৃদ্ধি কৰিব পাৰে ফলত ঋণ লোৱাৰ পৰিমাণ কমি যাব।
- ফলস্বৰূপে মুদ্রাৰ যোগান কমিব আৰু সংকুচিত মুদ্রাৰ সৃষ্টি হব।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। সুলভ মুদ্রা —

- যেতিয়া কেন্দ্রীয় বেংকে সুতৰ হাৰ হ্রাস কৰে তেতিয়া সদস্য বেংকসমূহে কেন্দ্রীয় বেংকৰ পৰা অধিক ঋণ লয় আৰু তেওঁলোকৰ ঋণ লোৱাসকলক অধিক ঋণ দিয়ে।
- এইদৰে মুদ্রাৰ যোগান বৃদ্ধি হব।
- ফলস্বৰূপে সুলভ মুদ্রাৰ সৃষ্টি হব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। ক'লা মুদ্রা —

- যিকোনো মুদ্রা অর্থনৈতিক অপৰাধৰ জৰিয়তে উৎপন্ন হ'লে ক'লা মুদ্রা হ'ব পাৰে।
- উদাহৰণস্বৰূপে, কৰ ফাঁকি এটা অর্থনৈতিক অপৰাধ।
- ধৰি লওক যে তেওঁৰ মুঠ বার্ষিক আয়ৰ পৰা সকলো কর্তন আৰু ৰেহাইৰ পিছত এজন ব্যক্তিয়ে ৫ লাখ আয়কৰ (কৰযোগ্য আয়) দিব লাগিব। কিন্তু, ব্যক্তিজনে কৰ ফাঁকি দিছে । তেনে ফাঁকি দিয়া ধনক ক'লা মুদ্রা বোলা হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



১৫। উচ্চ ক্ষমতাসম্পন্ন মুদ্রা —

- দেশৰ মুঠ মুদ্রাৰ যোগানৰ ভিতৰত যিটো অংশ দেশৰ কেন্দ্রীয় বেংকৰ প্রত্যক্ষ নিয়ন্ত্রণত আছে সেয়া উচ্চ ক্ষমতাসম্পন্ন মুদ্রা।
- এই মুদ্রাৰ জৰিয়তে কেন্দ্রীয় বেংকে দেশত মুদ্রাৰ যোগান বৃদ্ধি বা হ্রাস কৰিব পাৰে।

মূল্যায়ন



1 যি মুদ্রাৰ লিখিত মূল্য ইয়াৰ অন্তর্নিহিত মূল্যতকৈ অধিক -

A প্রতীক মুদ্রা

B আদেশ মুদ্রা

C চেক মুদ্রা

D বিহিত মুদ্রা

মূল্যায়ন



2 মুদ্রাক বহল অর্থত কেইটা ভাগত ভাগ কৰা হৈছে ?

A ৩ টা

B ২ টা

C ৪ টা

D ৫ টা

১) হিচাপ নিকাচ মুদ্রা
২) প্রকৃত মুদ্রা